# আম আদমী পাৰ্টিৰ বিকল্প ৰাজনীতিৰ থৰক বৰক অৱস্থা

**দিনাংক- ১৬ জানুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

ভাৰতক এক বিকল্প ৰাজনীতি প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল । মই ব্যক্তিগতভাৱেও আশা কৰিছিলো যে আম আদমী পাৰ্টিয়ে যি বিকল্প ৰাজনীতিৰ প্ৰতিশ্ৰুতি দিছে ই ভাৰতীয় সমাজব্যৱস্থাত এক গভীৰ সাচঁ পেলাব । সামাজিক ৰাজনৈতিক দ'লসমূহ আৰু ৰাজনীতিবিদসকলে সততা আৰু পাৰদৰ্শিতাৰ গুৰুত্বতা উপলব্ধি কৰিব । কিন্তু দেশক এনেভাৱে প্ৰস্তুত কৰাই দেশলৈ অৰাজকতাহে আনিব । এটা ৰাজনৈতিক দ'ল গঠন কৰাৰ পাছত ইয়াৰ সদস্য আৰু আদৰ্শ বিচাৰ কৰাটো ভয়বহ হৈ পৰে । এই ব্যৱস্থাত বহুতো আশাবিহীন, নিজা মতামত দিয়া বিষয়সমূহ এনে নতুন সংগঠনত জড়িত হৈ পৰে । বাংগালুৰৰ ভূতপূৰ্ব বায়ু সেৱাৰ অধিপতি আৰু মুম্বাইৰ এগৰাকী বেংকাৰে বজাৰৰ অৰ্থনীতিৰ গুণাগুণ কৰা দেখা গৈছে । মাওবাদীৰ সৈতে ভাল সম্পৰ্ক ৰখা চত্তীশগড়ৰ এজন ব্যক্তিও এই দ'লৰ এজন সদস্য, তাৰ ওপৰিও জৱাহৰলাল নেহৰু ইউনিভাচিটিৰ এজন ব্যক্তিয়ে পৰামৰ্শ দিছে যে কাশ্মীৰৰ বিভিন্ন গোটসমূহ এক গোট হৈ ভাৰতৰ বিৰুদ্ধে থিয় হ'ব লাগে । তেওঁ এই মতামত দিয়াৰ ওপৰিও ইউ এচ ফেডাৰেল কমিটিৰ ওচৰতো গুজৰাট চৰকাৰৰ বিৰুদ্ধেও মুখ খুলিছে । এই দ'লৰ এজন মুখ্য সদস্যই কাশ্মীৰ ভেলি আৰু মাওবাদীৰ দখলত থকা ক্ষেত্ৰসমূহত কেনা লাগেনে নাই তাৰ ওপৰত জনমত সংগ্ৰহ কৰোৱাৰ কথা উত্থাপন কৰিছে । আহমেদাবাদৰ এজন কৰ্মকৰ্ত্তাই মোডীৰ বিৰুদ্ধে প্ৰচাৰ চলাই আছে তেওঁ, দ'লৰ আন নেতাৰ পৰা সমকামিতা বিষয়টোৰ ওপৰত পৰামৰ্শ বিচাৰিছে আৰু যিসকলে এই বিষয়টোক সমৰ্থন কৰিব তেওঁলোকক দ'ললৈ আমন্ত্ৰণ জনাইছে ।

নতুন দ'লৰ এটা নতুন পদ্ধতি সৃষ্টি কৰা হৈছে যে ন্যায়পালিকাইও আমোলাবিষয়াৰ সন্মুখত জবাবদেহী হ'ব । এজন অভিযুক্ত মন্ত্ৰীয়ে সিদ্ধান্ত ল'ব পৰা ক্ষমতা থাকিব যে, ন্যায়ধীশৰ আদেশ সত্যনে অসত্য । তেওঁ নিজৰ বিৰুদ্ধে থকা হুকুমটোকো অমান্য কৰিছে । প্ৰথম অৱস্থাত যি উৎসাহ দেখা পোৱা গৈছিল সেইয়া সমাপ্ত হোৱা যেন লাগিছে । অৰ্থনীতিৰ ওপৰত ইংগিত দেখা পোৱা গৈছে যে তেওঁলোকৰ দ'লে প্ৰাকৃতিক সম্পদ আৰু বিমানবন্দৰৰ ৰাষ্ট্ৰীয়কৰণ, অধিক সাহাৰ্য্য দি অধিক কৰৰ নীতি প্ৰচলন কৰিছে । দ'লৰ আদৰ্শ এতিয়া চাকৰি পোৱাৰ হেপাহঁ যেনহে লাগিছে যাৰ ফলত দ'লৰ মাজত সংঘাতৰ সৃষ্টি হৈছে । তিনি সপ্তাহৰ ভিতৰতে এই সকলো খিনি লাভ কৰিব'লৈ দ'ল সক্ষম হৈছে । মোৰ ভয় এয়ে যে এনে পৰীক্ষামূলক কাৰ্য্যৰ অসফলতা আন দ'লৰ দ্বাৰে সততা আৰু দায়িত্বশীল হোৱাৰ নামত যাতে ভুল পথত খেলিমেলি নকৰে ।